# উদ্ভৱকালীন অসমীয়া ভাষা-সাহিত্যৰ পটভূমি

## চৰ্যাপদৰ পৰা মাধৱ কন্দলিৰ ৰামায়ণলৈ

**বক্তা**

**ডঃ মিলন নেওগ**

মুৰব্বী, অসমীয়া বিভাগ

আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়

ক) চৰ্যাপদ (খ্ৰীঃ ৮ম শতিকাৰ পৰা খ্ৰীঃ ১২শ শতিকাৰ) সমূহ অসমীয়া ভাষাৰ প্ৰাচীনতম নিদৰ্শন বুলি কিয় কওঁ? সমান্তৰালভাৱে বাংলা, ওড়িয়া, মৈথিলী আনকি হিন্দী ভাষাৰো প্ৰাচীনতম নিদৰ্শন বুলি দাবী কৰিছোঁ—

খ) অসমৰ Social History ত খ্ৰীঃ ৮ম - ১২ শ শতিকাৰ অসমত বৌদ্ধধৰ্মৰ অৱস্থিতি সম্পৰ্কে উৎসাহজনক মন্তব্য তেনেই সীমিত।

{"B.K. Boruah (A Cultural History of Assam) কৈছে - (P. 185) The expression dharma and tathagata which occur respectively in Bhaskaravarman's and Indrapal's Grants have led some scholars to believe that Buddhism did exist in Assam at an early period. (বৰুৱাদেৱে K.L. Borua, S.C. Goswami, Nath (Background of Assamese Culture) আদিৰ কথা উল্লেখ কৰিছে।) But except for surmise on these terens, the epigraphs are not very expressive, neither has archaeology produced any evidence of importance."}

তাৰ মানে, সেই সময়ত বৌদ্ধধৰ্মৰ অৱস্থিতি নাছিল নেকি? যদি নাছিল, চৰ্যাগীতবোৰ কেনেকৈ হ'ল? (কেবাজনো চৰ্যাগীতিকাৰ কামৰূপৰ বুলি পণ্ডিতসকলৰ মন্তব্য)

(গ) চৰ্যাপদকালীন সময়ৰ পৰা মাধৱ কন্দলীৰ সময়লৈ মাজৰ সময়খিনিত কোনো হিন্দু ধৰ্মভাৱৰ সাহিত্য নাই কিয় ?

(ঘ) অসমীয়া ভাষা যদি মাগধী প্ৰাকৃত /অপভ্ৰংশৰ পৰা বিকাশ তেন্তে তাৰ যথোপযুক্ত সাহিত্য নিদৰ্শন আছেনে ?

মনকৰিব-চৰ্যাপদৰ ভাষাৰূপ সৌৰসেনীহে।

**প্ৰথম প্ৰশ্ন ঃ**

চৰ্যাপদসমূহ অসমীয়া ভাষাৰেহে প্ৰাচীন নিদৰ্শননে ?
চৰ্যাপদৰ ভাষাৰ মূল কাঠামো শৌৰসেনী অপভ্ৰংশই।

*ঃ ‘বাংলা সাহিত্যের ইতিকথা’ (১ম পর্যায়), পৃ. ৩৩, লিখক - ভূদেব চৌধুরী*

ঃ সুনীতি কুমাৰ চট্টোপাধ্যায়ৰো একে মত ‘Origin and Development of Bengali Language’ নামৰ বিখ্যাত গ্ৰন্থত তেখেতে কৈছে - “সংস্কৃত যেনেকৈ অভিজাত ভাৰতৰ, শৌৰসেনী প্ৰাকৃত তেনেকৈ লোক ভাৰতৰ সাহিত্য সাধনাৰ সাধাৰণ মাধ্যম।”

ঃ চৰ্যাপদকালীন সময়ত বংগ, অসম, উৰিষ্যা আদি পৰিভাষাবোৰ নাছিলেই।

‘কামৰূপ’ নামৰ ৰাজ্যখনৰ Geological Boundary কি আছিল? ই সকলো যুগত/সময়ত একে আছিল নে? গৌড়, বংগ, সমতট, পুণ্ড্ৰবৰ্ধন, কমতা আদিবোৰ?

প্ৰসংগলৈ ঘূৰি আহিলে পাওঁ, তেনেহ'লে শঙ্কৰদেৱে 'ব্ৰজাৱলী ভাষা'শৈলী নিৰ্মাণত মৈথিলী কবি বিদ্যাপতিক অনুসৰণ কৰিছিলনে — যাৰ লগত আদৰ্শগত কোনো মিল নাই? তাৰমানে, বিদ্যাপতিৰ ভাষাৰূপৰ সৈতে ব্ৰজাৱলীৰ মিল থকাৰ কাৰণ বিদ্যাপতিৰ প্ৰভাৱ নহয়, এয়া সৰ্বভাৰতীয় শৌৰসেনী ভাষাৰূপৰ সামগ্ৰিক প্ৰভাৱহে।

'চৰ্যাপদ'ৰ ভাষাৰ শৌৰসেনী প্ৰাকৃত আধাৰেই শঙ্কৰদেৱৰ সময়লৈ প্ৰৱাহিত আছিল বুলি ভাবিব পাৰি?

— এয়া মাত্ৰ নতুন প্ৰজন্মক গৱেষণাৰ বাবে দাঙি ধৰা Hypothesis হে মাত্ৰ।

‘চৰ্যাপদ’ৰ ভাষাৰূপত শৌৰসেনী-মাগধীৰ উপৰি আৰু কি আছিল? এয়াহে গুৰুত্বপূৰ্ণ কথা।

প্ৰসংগটোৱে দাবী কৰে —

- ‘চৰ্যাপদ’কালীন জনগাঁথনি।
- জনগাঁথনিটোৰ সামাজিক-সাংস্কৃতিক বিন্যাস।

## কিন্তু কামৰূপৰ বৌদ্ধধৰ্ম গোপনীয় কিয় হৈছিল?

আমাৰ অনুমান—

ক) ৰাজপৃষ্ঠপোষকতা আছিল মূলত ব্ৰাহ্মণ্যবাদৰ প্ৰতি। কাৰণ, DD Kosambi এ দেখুওৱাৰ দৰে সংখ্যাগতভাৱে যিমানেই ডাঙৰ নহওক কিয়, উৎপাদন কৌশলত (কথাটো ঊনবিংশ শতিকাৰ অসমীয়া মধ্য শ্ৰেণীয়ে বঙালীক অনুকৰণ কৰা কথাটোৰ লগত ৰিজাই চাব পাৰি।)

Kosambi, S. N. Srinivas আদিয়ে দেখুৱাইছে যে, ৰাষ্ট্ৰগঠনৰ স্তৰত শাসকৰজাৰ বাবে ব্ৰাহ্মণ্যবাদ বা তাৰ ধাৰক-বাহক ব্ৰাহ্মণ-পুৰোহিতসকলহে ‘কামৰ মানুহ’ আছিল।

খ) শৈৱ-শাক্ত-ব্ৰাহ্মণ্যবাদ সংস্কৃত ভাষাকেন্দ্ৰিক হোৱাৰ বিপৰীতে বৌদ্ধধৰ্ম প্ৰাকৃত ভাষাকেন্দ্ৰিক ধৰ্মভাব। সংস্কৃত ভাষা অভিজাত সন্ধি হোৱাৰ বিপৰীতে প্ৰাকৃত ভাষা লোকধৰ্মী।

অন্যহাতে, ব্ৰাহ্মণ্যবাদ বৰ্ণাশ্ৰমবাদী (জাতিভেদ/অস্পৃশ্যতা) হোৱাৰ বিপৰীতে বৌদ্ধধৰ্ম সেই বিষয়ত নিস্পৃহ।

গতিকে সাধাৰণ নিম্নস্তৰৰ লোকসমাজৰ মাজত বৌদ্ধ ধৰ্মৰ পোতন গঢ়ি উঠিল। ৰাজপৃষ্ঠপোষকতা নোহোৱা ধৰ্ম এটা অভিজাত সমাজৰ বিপৰীতে লোক/প্ৰাকৃত জনতাৰ সাংস্কৃতিক জীৱন প্ৰবাহত সোমাই পৰি তাৰ স্বকীয়তা বহু পৰিমাণে হেৰুৱালে।

| | |
|---|---|
| তন + ষ্ট্রন = তন্ত্র<br>তন = বিস্তাৰ কৰা।<br>‘তনয়’, ‘সন্তান’ শব্দ দুটাই বংশ বিস্তাৰৰ ব্যঞ্জনা দিয়ে। | তন + অয়ট = তনয়<br>সম + তন + ঘঞ = সন্তান<br><br>বংশ বিস্তাৰ = উৎপাদন বৃদ্ধি (শস্য বিস্তাৰ)<br>Like produce like = Magic<br>(J. Frazer; The Golden Bough) |

আমি যি বৌদ্ধতন্ত্ৰ, শাক্ত-শৈৱ তন্ত্ৰ আনকি বৈষ্ণৱ-তন্ত্ৰ (সহজীয়া)ৰ কথা কওঁ - আচলতে এই অভিধাবোৰৰ আঁৰত কি?

Trantism is neither Buddhism nor Hindu in origin, it seems to be a religious undercurrent, originally independent of any abstruse metaphysical speculation, flowing on from an obscure point of time in the religious history of Indian, with these practices and Yogic processes, which characterise Trantism as a whole, different philosophical rather theological, systems different got closely associated in different times. (*S. Dasgupta, Obscure religious Cults as Background of Bengali Literature, p.27*)

Thank You